# REGIONAL NEWS UNIT
## ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 27-06-2025
**Time :** 0755 Hrs.

# *Assamese Morning Bulletin*

০০০০০০

খনি মন্ত্ৰালয়ৰ উদ্যোগত আৰু কয়লা মন্ত্ৰালয় আৰু অসম চৰকাৰৰ সহযোগত উত্তৰ-পূৰ্বাঞ্চলৰ খনি মন্ত্ৰীসকলৰ দ্বিতীয়খন সন্মিলন আজিৰে পৰা দুদিনীয়াকৈ গুৱাহাটীৰ মে' ফেয়াৰ স্প্ৰীং ভেলী ৰিজৰ্টত অনুষ্ঠিত হ'ব। এইবেলি এই সন্মিলনৰ মূল উদ্দেশ্যে হ'ল বহনক্ষম খননৰ জৰিয়তে উত্তৰ-পূৰ্বাঞ্চলক শক্তিশালী কৰি তোলা। সন্মিলনৰ সৈতে সংগতি ৰাখি আয়োজিত অনুষ্ঠানত কেন্দ্ৰীয় কয়লা আৰু খনি মন্ত্ৰী জি কিষান ৰেড্ডীয়ে অধ্যক্ষতা কৰিব। অনুষ্ঠানত কয়লা আৰু খনি ৰাজ্যমন্ত্ৰী সতীশ চন্দ্ৰ ডুবে তথা উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্য কেইখনৰ খনিমন্ত্ৰীসকলে অংশগ্ৰহণ কৰিব। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰিব। সন্মিলনৰ দুয়োটা দিনতেই খননৰ সৈতে জড়িত বিভিন্ন অধিৱেশন অনুষ্ঠিত হ'ব। সন্মিলনত ভালেকেইখন বুজাবুজিৰ চুক্তিও স্বাক্ষৰিত হ'ব। সন্মিলনত উত্তৰ-পূৰ্বাঞ্চলৰ খনিজ সম্পদৰ অপাৰ সম্ভাৱনা প্ৰদৰ্শন কৰিব পৰাকৈ বিভিন্ন ধৰণৰ উপস্থাপন কৰা হ'ব।

০০০০০০

শিৱসাগৰৰ ভটিয়াপাৰত তেল আৰু প্ৰাকৃতিক গেছ নিগম লিমিটেডৰ তৈলখাদৰ গেছ নিৰ্গমন ক্ৰমাৎ হ্ৰাস পাইছে বুলি অ' এন জি চি কৰ্তৃপক্ষই প্ৰেছ বিজ্ঞপ্তিযোগে জানিবলৈ দিছে। আন্তঃৰাষ্ট্ৰীয় কূপ নিয়ন্ত্ৰণ বিশেষজ্ঞৰ অধীনত অব্যাহত থকা অভিযানে গুৰুত্বপূৰ্ণ অগ্ৰগতি লাভ কৰিছে বুলিও প্ৰেছ বিজ্ঞপ্তিত কোৱা হৈছে। দলটোৱে ষ্টেয়াৰ কেচ, জটিল তাঁৰ আৰু অন্যান্য গাঁথনিগত উপাদানকে ধৰি ৰীগৰ বাকী থকা সকলো সামগ্ৰী সফলতাৰে আঁতৰাইছে। এই গুৰুত্বপূৰ্ণ পদক্ষেপত ৰীগৰ উপ-গাঁথনিটো নিৰাপদে আঁতৰোৱা আৰু টানি অনাৰ ফলত ৱেলহেডলৈ প্ৰৱেশ প্ৰশস্ত হৈছে। ইয়াৰ ফলত চূড়ান্ত কূপ নিয়ন্ত্ৰণ প্ৰক্ৰিয়াৰ অপৰিহাৰ্য অংশ হিচাপে অনাগত অভিযানৰ বাবে প্ৰস্তুতি সম্পূৰ্ণ হৈ উঠিছে। পৰৱৰ্ত্তী পৰ্যায়ত সাৱধানতাৰে ব্লু আউট প্ৰিভেণ্টাৰ আঁতৰোৱা হ'ব বুলি প্ৰেছ বিজ্ঞপ্তিত কোৱা হৈছে। ইয়াৰ পাছত ৱেল কেপিং কৌশলৰ অংশ হিচাপে এটা বিকল্প গোট স্থাপন কৰা হ'ব বুলিও বিজ্ঞপ্তিত প্ৰকাশ কৰা হৈছে।

০০০০০০

অম্বুবাছীৰ নিবৃত্তিৰ পাছতে ডিব্ৰুগড়ত কালি সোণোৱাল কছাৰী জনগোষ্ঠীৰ অন্যতম পৰম্পৰাগত **আহাৰৰ যাঠ ভঙা উৎসৱ** অনুষ্ঠিত হয়। এই উপলক্ষে জিলাখনৰ খোৱাং সমষ্টিৰ পুৰণি বলাইগাঁৱত ভূৰ উটোৱা সবাহৰো আয়োজন কৰা হয়। এই মাংগলিক কাৰ্যসূচীত ডিব্ৰুগড় উন্নয়ন প্ৰাধিকৰণৰ অধ্যক্ষ অসীম হাজৰিকাই নাম-কীৰ্তনত অংশ লোৱাৰ লগতে ৰাইজৰ অপায়-অমংগল দূৰ হোৱাৰ বাবে প্ৰাৰ্থনা কৰে।

০০০০০০০

উত্তৰ-পূব সীমান্ত ৰে’লৱেৰ জাতিংগা আৰু লামপুৰৰ মাজৰ ভূমিস্খলন হোৱা ৰে’লপথৰ পৰা শিল-বালিৰ আৱৰ্জনা আঁতৰোৱাৰ কাম যুদ্ধকালীন ক্ষিপ্ৰতাৰে চলি আছে। উত্তৰ-পূব সীমান্ত ৰে’লৱেৰ মহাপ্ৰবন্ধক চেতন কুমাৰ শ্ৰীবাস্তৱে কালি ভূমিস্খলন হোৱা অঞ্চলটোত উপস্থিত হৈ কয়, যে বতৰ অনুকুল হ’লে অহা সোমবাৰৰ ভিতৰত এই পথেৰে আংশিকভাৱে ৰে’ল চলাচল পুনৰ আৰম্ভ কৰিব পৰা যাব। পূৰ্বৰ মিটাৰগেজ ৰে’লপথৰ ওপৰতে ব্ৰগগেজ ৰে’লপথ স্থাপন কৰাৰ ফলত এই ৰে’লপথছোৱাৰ কিছু কাৰিকৰী আঁসোৱাহ ৰৈ গৈছে। তেওঁ কয়, যে যে লংকাৰ পৰা শিলচৰ সংলগ্ন মইনাৰবন্দলৈ প্ৰায় ১৬০ কিলোমিটাৰ দৈৰ্ঘ্যৰ নতুন দ্বৈত ৰে’লপথ নিৰ্মাণৰ বাবে জৰীপ চলাই থকা হৈছে।

০০০০০০

ৰাজ্যৰ বিভিন্ন প্ৰান্তত কালি আন্তৰ্জাতিক মাদকদ্ৰব্যৰ অপ-ব্যৱহাৰ আৰু অবৈধ সৰবৰাহ বিৰোধী দিৱসৰ লগত সংগতি ৰাখি বিভিন্ন কাৰ্যসূচী অনুষ্ঠিত হয়। মাদক দ্ৰব্য মুক্ত এখন সমাজ গঢ়াৰ লক্ষ্যৰে গ্ৰহণ কৰা কাৰ্যব্যৱস্থা অধিক শক্তিশালী কৰাৰ উদ্দেশ্যে এই দিৱস উদ্‌যাপন কৰা হয়। এই বছৰৰ এই দিৱসৰ বিষয়বস্তু আছিল– ‘সংক্ৰমণৰ অৱসান ঃ সকলোৰে বাবে প্ৰতিৰোধ, চিকিৎসা আৰু নিৰাময়’।

বিশ্বনাথ, ডিব্ৰুগড়, মাজুলী, শোণিতপুৰ, যোৰহাট, পশ্চিম কাৰ্বি আংলং, দৰং জিলা আৰু গোৱালপাৰা জিলাতো আন্তৰ্জাতিক মাদকদ্ৰব্যৰ অপ-ব্যৱহাৰ আৰু অবৈধ সৰবৰাহ বিৰোধী দিৱসৰ লগত সংগতি ৰাখি বিভিন্ন কাৰ্যসূচী অনুষ্ঠিত হয়। লখিমপুৰ জিলাতো উত্তৰ-লখিমপুৰ মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত মাদক দ্ৰব্যৰ অপব্যৱহাৰ আৰু অবৈধ সৰবৰাহ বিৰোধী দিৱস পালন কৰা হয়। অনুষ্ঠানত জিলাখনৰ অতিৰিক্ত আয়ুক্ত, বিদ্যালয় পৰিদৰ্শক, ঔষধ পৰিদৰ্শক, স্বাস্থ্য সেৱাৰ যুটীয়া সঞ্চালককে আদি কৰি জিলাখনৰ উচ্চপদস্থ বিষয়াসকল উপস্থিত থাকে।

বিশ্বনাথত কালি আন্তৰ্জাতিক ড্ৰাগছ আৰু অবৈধ সৰবৰাহবিৰোধী দিৱস উপলক্ষে জিলা আৰক্ষীয়ে পূৰ্বে জব্দ কৰা ২ কোটি ৮০ লাখ মূল্যৰ নিচাযুক্ত সামগ্ৰী দাহ কৰে। ডিব্ৰুগড়তো কালি এই দিৱস উপলক্ষে কেন্দ্ৰীয় চৰকাৰৰ তথ্য আৰু সম্প্ৰচাৰ্ মন্ত্ৰ্যালয়ৰ উদ্যোগত আন্তঃৰাষ্ট্ৰীয় ড্ৰাগছ বিৰোধী দিৱসৰ লগতে চকু স্বাস্থ্য সজাগতা সভা অনুষ্ঠিত হয়। মাজুলী জিলা প্ৰশাসনৰ উদ্যোগত তথা অসম ৰাজ্যিক নিচামুক্ত মাদকদ্ৰব্য নিবাৰণী পৰিষদ আৰু মাজুলী জিলা আৰক্ষী প্ৰশাসনৰ সহযোগত জেংৰাইমুখ মহাবিদ্যালয়ত আন্তঃৰাষ্ট্ৰীয় ড্ৰাগছ বিৰোধী দিৱস পালন কৰা হয়। শোণিতপুৰ জিলা প্ৰশাসনে সমাজ কল্যাণ বিভাগৰ সহযোগত শোণিতপুৰ জিলা আয়ুক্তৰ কাৰ্যালয়ত এখন মাদকদ্ৰব্য বিৰোধী সজাগতা সভাৰ আয়োজন কৰে।

০০০০০০

শক্তি বিভাগৰ মন্ত্ৰী প্ৰশান্ত ফুকনে কালি ধেমাজি জিলাত এখন পৰ্যালোচনা বৈঠকত অংশগ্ৰহণ কৰে। ধেমাজি জিলাৰ অভিভাৱক মন্ত্ৰীৰ দায়িত্বত থকা মন্ত্ৰী শ্ৰীফুকনে জিলা আয়ুক্ত কাৰ্যালয়ত অনুষ্ঠিত সভাত বিভিন্ন বিভাগৰ উন্নয়নমূলক কাম-কাজৰ খতিয়ান লয়। বৈঠকখনত লখিমপুৰ লোকসভা সমষ্টিৰ সাংসদ প্ৰদান বৰুৱাকে ধৰি অতিৰিক্ত জিলা আয়ুক্ত, জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া, জোনাই সমষ্টিৰ আয়ুক্ত উপস্থিত থাকে। ইপিনে, মন্ত্ৰী শ্ৰী ফুকনে কালি ধেমাজিৰ ১ নম্বৰ টেকজুৰিত বিদ্যুৎ বিভাগৰ এটা ট্ৰেন্সফৰ্মাৰ উদ্বোধন কৰে।

০০০০০০

**সমাপ্ত**